بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত আকদছ মছীহ মাওউদ (আঃ)ৰ সত্যতা আৰু তাৰ জামাতৰ বিশ্ব ব্যাপি উন্নতিৰ ছবি প্ৰদৰ্শন কৰা কিছুমান ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ মে ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)য়ে জামাতৰ ওপৰত আল্লাহৰ কৃপা আৰু ইয়াৰ বিস্তাৰ লাভ কৰা সম্পৰ্কে কৈছে, এয়াও আল্লাহ তা'লাৰ এটা ডাঙৰ মজিজা (অলৌকিকতা) যে ইয়াক মিছা সাব্যস্ত আৰু লাঞ্ছিত কৰা সত্ত্বেও আৰু বিৰোধীতা সকলৰ প্ৰবল বাধা নেওচি দিনে ৰাতি জামাতে উন্নতি লাভ কৰি গৈ আছে। জানানে ইয়াৰ মাজত কি ৰহস্য লুকাই আছে ? ইয়াতে ৰহস্য এয়াই আছে যে আল্লাহ তা'লা যাক প্ৰেৰণ কৰে আৰু যিয়ে সঁচাকৈয়ে খোদা তা'লাৰ ফালৰ পৰা আগমন কৰে, তেওঁ দিনক দিনে সকলো বাধা বিপত্তি নেওচি উন্নতি লাভ কৰে, আৰু তাৰ ছিলছিলা দিনক দিনে উজ্জ্বলি উঠে। ইয়াৰ বিৰুদ্ধবাদী সকলে এই উন্নতি চাই হিংসাত জ্বলি ছাই হয়। গতিকে খোদা তা'লাই যাক আগবঢ়াই নিব বিচাৰে তাক কোনেও বাধা দি ৰাখিব নোৱাৰে। কাৰণ যদি কোনো চেষ্টা-প্ৰচেষ্টাৰে এই ছিলছিলাক বাধা দি ৰাখিব পৰা যায় তেন্তে এই কথা মানি ল'ব লাগিব যে বাধা প্ৰদান কৰোঁতা খোদা তা'লাৰ ওপৰত জয়লাভ কৰিছে। কিন্তু আচলতে খোদা তা'লাৰ ওপৰত কোনেও জয়লাভ কৰিব নোৱাৰে।

হজৰত মছীহ মাওউদ (আঃ)ৰ এই উক্তিবোৰৰ যথাৰ্থতা আমি প্ৰত্যহ দেখিবলৈ পাই আছো। জামাতৰ শত্ৰু সকলে অকলে অকলেও আৰু একগোট হৈ ইয়াক ৰোধ কৰিবলৈ বহু চেষ্টা কৰি আছে। কিন্তু খোদা তা'লাই হুজুৰ (আঃ)ৰ সৈতে যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যে মই তোমাৰ তবলিগ (প্ৰচাৰ) ভূখণ্ডৰ শেষ প্ৰান্তলৈ পৌচাই দিম আৰু মই তোমাৰ একনিষ্ঠ আৰু আন্তৰিক প্ৰেমিকৰ সংখ্যা বঢ়াই দিম, এই প্ৰতিশ্ৰুতি অনুসাৰেই আমি জামাতৰ বিস্তাৰ লাভ কৰাটো প্ৰত্যক্ষ কৰি আছো। বৰ্তমানৰ নামধাৰী উলামা সকল আৰু বিৰোধী সকলে ভাৰে যে আমি

হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতক ফুক মাৰি শেষ কৰি দিম। তেওঁলোকে কিন্তু এয়া কেতিয়াও চিন্তা নকৰে যে সিহঁতে আল্লাহ তা'লাৰ সৈতে সমৰত নামিছে আৰু যেতিয়া কোনোবাই আল্লাহ তা'লাৰ বিৰুদ্ধে গৈ থিয় হ'ব তেতিয়া তাৰ ধ্বংস সুনিশ্চিত। আল্লাহ তা'লা সদায় নিজৰ ভৃত্যক সহায় কৰাটো পছন্দ কৰে আৰু সহায় কৰি থাকে।

আল্লাহ তা'লাৰ সহায় সহযোগৰ দৃশ্য আমি বিশ্বৰ প্ৰান্তে থকা দেশ সমূহত উজ্জ্বলি উঠা দেখিবলৈ পাওঁ। বিশ্বৰ এনেকুৱা কিছুমান ঠাই আছে য'ত মাজে সময়ে মানুহৰ অহা যোৱা কঠিন হৈ পৰে, যোগাযোগ ব্যৱস্থা বিপদজ্জনক, তাতেও আল্লাহ তা'লাৰ কৃপা আৰু কৰুণা ভৰা সহায় সহযোগ আমি দেখিবলৈ পাই আছো। বিৰুদ্ধবাদী লোক সকলে পূৰ্ণ প্ৰয়াস আৰু জোৰ লগোৱা সত্ত্বেও সিহঁতে অসফল হোৱাটোৱে দেখিবলৈ পাই আছো। সিহঁতে আমাৰ ধনমাল,প্ৰাণ বিনাশ কৰি আমাক ভয় দেখুৱাব বিচাৰে যদিও তাতে গৈ জামাতৰ সদস্য বৃন্দৰ ঈমানৰ জৰীডাল আৰু বেছি মজবুত হৈ পৰে।

বিশ্বজুৰি আল্লাহ তা'লাৰ কৃপা,কৰুণা বৰ্ষণৰ যিবোৰ ঘটনা ঘটি আছে আৰু হজৰত মছীহ মাওউদ (আঃ)ক দিয়া আল্লাহৰ প্ৰতিশ্ৰুতি কেনেদৰে পূৰ্ণ হৈ আছে,সেয়া বৰ্ণনা কৰা সম্ভৱ নহয়। গতিকে এতিয়া মই তাৰে কিছুমান ঘটনা আৰু জামাতৰ উন্নতি সম্পৰ্কে বৰ্ণনা কৰিম। এই সমূহ ঘটনাৰ পৰা জানিব পৰা যায় যে কেনেকৈ আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতা মানৱ হৃদয়ত স্থাপন কৰি আছে।

কিছুমান লোকে হয়তো অজ্ঞতা বশতঃ বিৰুদ্ধাচৰণ কৰি থাকে আৰু যেতিয়া তেওঁলোকে প্ৰকৃত অৰ্থ বা মূল বিষয় সম্পৰ্কে জানিব পাৰে তেতিয়া সেই লোক সকলেই এই সত্য গ্ৰহণ কৰি লয়। এনেকুৱা ঘটনা কঙ্গোৰ আমিৰ চাহাবে লিখি পঠিয়াইছে। তেখেতে লিখিছে যে তাৰে এখন গাঁৱত আমাৰ মোবাল্লিগ চাহাবে তবলিগ কৰি থকাকালীন স্থানীয় ইমাম চাহাবৰ সৈতে ঈছা (আঃ)ৰ মৃত্যু সম্পৰ্কে আলোচনা হয়। যেতিয়া সেই অআহমদী ইমাম জনে বুজি পায় যে মছীহ (আঃ)জীৱিত থকাৰ বিশ্বাসে আঁহজৰত (ছাঃ)ৰ সন্মানৰ আঘাত হানে তেতিয়া তেওঁ এই সত্য গ্ৰহণ কৰি লয়। ইয়াৰ পিছত লোকজনে ইমাম মাহদীৰ আগমনৰ বিষযটো ভালদৰে বুজি পায় আৰু নিজৰ পৰিয়ালৰ ছয়জন লোক আৰু এবৈছ জন মুক্তাদীসহ জামাতে আহমদীয়াৰ অন্তৰ্ভুক্ত হয়।

কিছুমান ঠাইত আকৌ আল্লাহ তা'লা নিজেই আহমদীয়তৰ নিমিত্তে নতুন ভূখণ্ডৰ সৃষ্টি কৰি দিয়ে। গিনিনাকৰিৰ এজন মোবাল্লিগ চাহাবে লিখিছে যে এখন গাঁৱত গৈ তবলিগ কৰি আছিলো এনেতে সেই গাওঁখনৰ বুজুৰ্গ মুৰববী এজনে কয় যে মই এই মাহদী শব্দটো মোৰ ককাদেউতাৰ মুখত বহুবাৰ শুনিছো, কিন্তু তাৰ আচল ব্যাখ্যা জনা নাছিলো। আজি আপুনি আহি তাৰ গূঢ়াৰ্থ বুজালে। গতিকে মই আহমদীয়ত গ্ৰহণ কৰিলোঁ। তাৰ পিছত তেখেতে নিজৰ গাওঁবাসীক কথাটো বুজাই-বঢ়াই কোৱাৰ লগে লগে ইমাম সহ বহু কেইজন লোকে বয়াত গ্ৰহণ কৰে।

এনেদৰে গাম্বিয়াৰ মোবাল্লিগ ইনচাৰ্জ চাহাবে লিখিছে যে তাতে এখন গাঁৱত তবলিগৰ টিম গৈ বয়াতৰ দহটা চৰ্ত পঢ়ি শুনায়। এই চৰ্তবোৰ শুনি গাঁৱৰ বিজ্ঞ লোক সকলে বুজি পায় যে এয়াই প্ৰকৃত ইছলামৰ কথা তাতে গাঁৱৰ লোক সকলে স্বীকাৰ কৰে যে আমি এয়া প্ৰথম ইছলামৰ সুন্দৰ শিক্ষা সম্পৰ্কে শুনিবলৈ পালো। এনেদৰে এটা দীৰ্ঘ সময় প্ৰশ্ন উত্তৰ পৰ্ব চলাৰ পিছত প্ৰায় দুশজন লোকে আহমদীয়ত গ্ৰহণ কৰি লয়।

আফ্ৰিকাৰ এখন দেশত আমাৰ মোবাল্লিগ চাহাবৰ সৈতে কিছুমান লোকে আহি যোগাযোগ কৰে আৰু কয় যে আপুনি এবাৰ গৈ আমাৰ অঞ্চলত তবলিগ কৰক। কাৰণ আমি শুনিবলৈ পাইছো যে আপোনালোকে ল'ৰা-ছোৱালীক কোৰাণ কৰিম পঢ়িবলৈ শিকাৰ ব্যৱস্থা কৰি দিয়ে। সেয়ে আমি তাৰ পিছদিনাখন কেইজনমানে তাত গৈ উপস্থিত হওঁ আৰু বহু সময় তবলিগ কৰাৰ পিছত বহু সংখ্যক লোকে আহমদীয়ত গ্ৰহণ কৰে। তাৰ পিছত

সেই লোক সকলে নিজৰ ল'ৰা-ছোৱালী সকলক লৈ আনি আমাৰ সন্মুখত থিয় কৰাই কয় যে এই সকলেই জামাতৰ ল'ৰা ছোৱালী। এওঁলোকৰ বাবে কোৰাণ কৰিম শিকাৰ ব্যৱস্থা কৰিব লাগে। সেয়ে মোবাল্লিগ চাহাবে তাৰে পৰা দুজনক বাছি লয় যে এওঁলোক দুজনক কোৰাণ কৰিম পঢ়িবলৈ শিকোৱা হ'ব আৰু এওঁলোকে তাতে শিকি আহি নিজৰ গাঁৱৰ ল'ৰা ছোৱালীক কোৰাণ পঢ়া শিকাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আমাৰ পাকিস্তানত কোৰাণ কৰিম পঢ়াৰ লগতে শুনিবলৈ আদেশ দিয়া হয়। এবাৰ এজন আহমদীৰ নামত গোচৰ ৰুজু কৰা হৈছিল যে এওঁ কিয় কোৰাণ কৰিমৰ পাঠ শুনি আছিল। এয়াই হ'ল নামধাৰী মুছলমান সকলৰ ইছলাম আৰু আনফালে আকৌ লোকে নিজৰ ল'ৰা-ছোৱালীক লৈ আনি জামাতৰ হাতত ন্যস্ত কৰি আছে যে সিহঁতক কোৰাণ কৰিম পঢ়িবলৈ শিকোৱা যাওঁক কাৰণ এই জামাতেই কোৰাণ কৰিমৰ শুদ্ধ জ্ঞান ৰাখোতা হয়।

আফ্ৰিকাৰ এখন দেশ চাড, ইয়াৰ ৰাজধানী চহৰত আমাৰ প্ৰথম মছজিদ নিৰ্মাণ কৰা হয় তেতিয়া আমাৰ বিৰুদ্ধাচৰণৰ জুই জ্বলি উঠে। আমাৰ বিৰোধী সকলে জামাতৰ বিৰুদ্ধে তাৰে ইছলামী কাউন্সিলত অভিযোগ দাখিল কৰে। তেতিয়া কাউন্সিলৰ ফালৰ পৰা উত্তৰ দিয়ে যে আহমদী সকলৰও ইবাদত কৰাৰ অধিকাৰ আছে। আমি কেনেকৈ সিহঁতৰ মছজিদ বন্ধ কৰি দিম। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যিয়েই নহওঁক তাৰে ইছলামি কাউন্সিলৰৰ বিবেক আছে আৰু সিহঁতে ন্যায় পছন্দ কৰে।

পাকিস্তানৰ বিচাৰ পতি সকলেও জামাতে আহমদীয়াক হিংসা কৰে আৰু আহমদী সকলে নিজৰ মছজিদত গৈ ইবাদত কৰাৰ আৰু নিজৰ ইবাদতৰ স্থানক মছজিদ বুলি কোৱাৰ অধিকাৰ পৰ্যন্ত নাই।

যিয়েই নহওঁক ইছলামী কাউন্সিলে সেই বিৰুদ্ধবাদী সকলক কয় যে যদি আপোনালোকে বিবাদ হোৱাৰ ভয় কৰে তেন্তে পুলিচক ৰিপোৰ্ট কৰক। সিহঁতে পুলিচক জনোৱাৰ পিছত পুলিচে আহি সম্পূৰ্ণ চাই-মেলি অনুসন্ধান পূৰ্ণ কৰে; মছজিদৰ নিৰ্মাণৰ অনুজ্ঞাপত্ৰ আৰু জামাতৰ ৰেজিষ্ট্ৰেচনৰ কাগজ চেক কৰে, অফলৰ মুৰববীৰ পৰা সকলো শুনি মেলি জানি লয়, মছজিদখন পৰ্যবেক্ষণ কৰি যায়, আৰু শেষত এয়া বুজি লয় যে জামাতে আহমদীয়াৰ কোনো নতুন ধৰ্ম প্ৰচাৰ কৰা নাই আৰু না এওঁলোকে আঁহজৰত (ছাঃ)ক কোনো ধৰণৰ অসন্মান কৰে।

আল্লাহ তা'লাই যাক হিদায়ত দিবলৈ আছে তাৰ হিদায়তৰ উপায়ও ৰহস্যময় পন্থাৰে উলিয়াই দিয়ে। আফ্ৰিকাৰ ছাত্তয়েতুয়ে অঞ্চলৰ মোবাল্লিগ ইনচাৰ্জ চাহাবে লিখিছে যে ইয়াতে আমালোকৰ মছজিদত ইঠাতে এদিন এজন ছিয়া যিজন মৰকুছৰ পৰা আহিছে; জুমাৰ নামাজ পঢ়িবলৈ আহে। তেওঁ ইয়াতে ছৰৰাল খোলাফা আৰু মজহব কে নাম পৰ খুন আৰবী ভাষাত লিখা কিতাপ দুখন পঢ়ি চায়। আৰু মাজে মাজে এম,টি,এৰ কিছুমান প্ৰোগ্ৰামও চায়, বিশ্বব্যাপী হোৱা বয়াতৰ দৃশ্য বিলাক দেখি থাকে। এনেদৰে তেওঁ কিছুদিন পিছত আকৌ আহি আমাৰ পৰা বয়াত ফৰ্ম বিচাৰি সেয়া পূৰ্ণ কৰি দিয়ে। তেতিয়া আমাৰ মোবাল্লিগ চাহাবে লোকজনক কৈছিল যে কিছুদিন ভালদৰে চিন্তা কৰি চাই লওঁক, দোৱা কৰক তাৰ পিছত বয়াত কৰিব। তেতিয়া লোকজনে কৈছিল যে মই গোটেই ৰাতিটো ছোৱা কৰিছোঁ আৰু যদি মই ইমামৰ বয়াত বিহনে মৃত্যু বৰণ কৰো তেন্তে মোৰ মৃত্যু জাহিলিয়তৰ মৃত্যুত পৰিণত হ'ব। এই বুলি লোকজনে পলম নকৰি তৎক্ষণাত বয়াত গ্ৰহণ কৰে। হুজুৰ (আইঃ)য়ে কয় যে মৰক্কাত জামাত থকা সত্বেও লোকজনে তাৰ কোনো খবৰ পোৱা নাছিল। আল্লাহ তা'লা তাক আফ্ৰিকাৰ আনখন দেশলৈ লৈ আনে আৰু তাতে তাৰ বাবে হিদায়তৰ উপায় উলিয়াই দিয়ে।

চেণ্ট্ৰেল আফ্ৰিকাত এজন মহাশয়ে যেতিয়া জামাত সম্পৰ্কে অনুসন্ধান কৰে আৰু পিছত বয়াত ফৰ্ম পূৰ কৰিবলৈ লয় তেতিয়া তাৰ চকুলো বৈ অহা দেখি প্ৰশ্ন কৰাত তেখেতে কৈছিল মই জামাতৰ বিৰোধী সকলৰ পৰা

জামাত সম্পৰ্কে বহুত কথা শুনিছো। কিন্তু আজি এই বয়াত ফৰ্মৰ দহটা চৰ্ত পঢ়ি মোৰ আগৰ জীৱনটোৰ ওপৰত অনুতাপ আহি গৈছে। মই এই বয়াত ফৰ্ম পঢ়ি জানিব পাৰিলো যে জামাত আহমদীয়া এটা সত্য আৰু পৱিত্ৰ জামাত হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আইভেৰিয়াকোষ্ট,বেলিজ,উজবেকিস্তান আৰু গিনাও আদি দেশৰ কেইবাটাও কবুলিয়াতে আহমদীয়তৰ ঈমান বৰ্দ্ধক ঘটনা বৰ্ণনা কৰাৰ পিছত কয় যে মই হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে খোদা তা'লাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ কেইটামান দৃষ্টান্ত বৰ্ণনা কৰিলোঁ; এনেকুৱা আৰু বহুতো ঘটনা ৰৈ আছে। বিৰুদ্ধবাদী সকলে প্ৰবল অপচেষ্টা চলাই আছে কিন্তু আল্লাহ তা'লা আনফালেদি বিশ্বৰ বিভিন্ন দেশত জামাতৰ উন্নতিৰ নতুন বাট মুকলি কৰি আছে। গতিকে আমি এই বিষয়ে আল্লাহ তা'লাৰ শলাগ লোৱা উচিত আৰু নিজৰ নিজৰ অৱস্থা গমি চোৱা উচিত আৰু নিজৰ ঈমান মজবুত ৰখাৰ চেষ্টা কৰা উচিত।

আমি আমাৰ বংশধৰ সকলৰ হৃদয়ত এই দৃশ্য আঁকি দিব লাগিব যে সমস্যা সদায় আহি থাকিব। কিন্তু বিজয় অৱশেষত গৈ আল্লাহ তা'লাৰ এই প্ৰতিষ্ঠিত জামাতৰেই হ'ব। গতিকে নিজৰ নিজৰ ঈমানৰ পতন ঘটিবলৈ নিদিবা। আল্লাহ তা'লা নতুনকৈ অহা আৰু পুৰণি আহমদী, সকলোকে অবিচল, অটল খোজত প্ৰতিষ্ঠিত ৰাখক। ঈমান আৰু বিশ্বাসত অলৰ-অচৰ ৰাখি অন্তৰ ডাঠ কৰি আগুৱাই লৈ যাওঁক। আমীন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে ৪ জন মৰহুমৰ বিষয়ে উল্লেখ কৰে আৰু তেওঁলোকৰ নামাজে জানাজা গায়েব পঢ়োৱাৰ কথা ঘোষণা কৰে। ইয়াৰে প্ৰথম জনী মৰহুমা পাৰবিন আখতাৰ চাহিবা, (পত্নী গোলাম কাদিৰ চাহাব অফ ছিয়ালকোট তাই ৯০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। তাইৰ এজন পুত্ৰ আৰিফ মেহমুদ চাহাব মোবাল্লিগ ছিলছিলাৰ অধীনত বেনিনত খিদমতাধীন হৈ থকাৰ কাৰণে মাকৰ জানাজাত চামিল হ'ব পৰা নাই। দ্বিতীয় জনী মৰহুমা মমতাজ আছিম চাহিবা (পত্নী চৌধুৰী অছিম আহমদ নাছিৰ চাহাব অফ গুটিয়ালিয়া) মৰহুমৰ দুজন পুত্ৰ ওয়াকফে হৈছে। ইয়াৰে এজন পুত্ৰ জাম্বিয়াত মোবাল্লিগ ছিলছিলাত খিদমতাধীন আছে। তৃতীয় জন মৰহুম ব্ৰিগেডিয়াৰ মনোৱাৰ আহমদ ৰাণা চাহাব (জেনেৰেল ছেক্ৰেটাৰী, জিলা ৰাউলপিণ্ডি) চতুৰ্থজন মৰহুম গ্ৰোপ কেপ্তেইন ৰিটায়াৰ্ড শুকুৰ মালিক চাহাব (প্ৰাক্তন নায়েব আমিৰ জামাত আহমদীয়া ৰাউলপিণ্ডি)আল্লাহ তা'লা মৰহুমিন সকলৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ প্ৰদৰ্শন কৰক আৰু তেখেত সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**